Prepp

Practice, Learn and Achieve
Your Goal with Prepp

# UGC NET Exam

## Assamese

Simplifying
**Government Exams**

SSC CHSL
IAS EXAM
RRB NTPC
NTSE
CDS
SSC CGL
CBSE UGC NET
IBPS PO
NDA
SBI PO
IBPS CLERK
AFCAT
SSC JE
CTET
CSIR UGC NET
CAPF
IBPS RRB

www.prepp.in

# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.____________________________
(In words)

**D 3 6 1 3**

Time : **1 $^1/_4$** hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **12**

Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

## ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৫০) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **দুই (২)** । উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা । সকলো প্ৰশ্নৰ উত্তৰ লিখিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**1.** তিব্বতী ঐতিহ্যমতে চৰ্যাকাৰ মীননাথৰ আন এটি নাম হ'ল -

(A) মুনিদত্ত

(B) লুইপা

(C) সৰহপাদ

(D) শবৰপাদ

**2.** ১৯১৬ চনত প্ৰকাশ পোৱা আৰু বসন্তৰঞ্জন ৰায়ে সম্পাদনা কৰা পুথিখনৰ নাম -

(A) বৌদ্ধগান ও দোহা

(B) শূন্য পুৰাণ

(C) শ্ৰীকৃষ্ণ-কীৰ্তন

(D) গোপীচন্দ্ৰৰ গান

**3.** মাধৱ কন্দলিৰ ৰামায়ণখনি "ঢাকি তুচকৈ গুচাবৰ মন দিলে" বুলি 'গুৰু-চৰিত-কথা'ত কাৰ নাম উল্লেখ কৰা হৈছে -

(A) শংকৰদেৱ

(B) মাধৱদেৱ

(C) অনন্ত কন্দলি

(D) শ্ৰীধৰ কন্দলি

**4.** হৰিবৰ বিপ্ৰই 'বব্ৰুবাহনৰ যুদ্ধ'ৰ কাহিনীভাগ গ্ৰহণ কৰিছে -

(A) মহাভাৰতৰ পৰা

(B) হৰিবংশৰ পৰা

(C) জৈমিনীয়াশ্বমেধৰ পৰা

(D) বামন-পুৰাণৰ পৰা

**5.** শংকৰদেৱৰ 'ষড়ছন্দৰ গীত' বোলা গীতকেইটিৰ সংখ্যা হ'ল -

(A) দুটা

(B) তিনিটা

(C) পাঁচটা

(D) সাতটা

**6.** তলত নাম দিয়া কাব্যসমূহৰ মাজৰ পৰা মাধৱদেৱে লিখা কাব্যখন চিনাক্ত কৰাঁ -

(A) হৰিশ্চন্দ্ৰ উপাখ্যান

(B) অমৃত মন্থন

(C) ৰাজসূয় কাব্য

(D) উষা-পৰিণয়



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**7.** অসমীয়া ‘গীতি-ৰামায়ণ’ৰ ৰচকজনৰ নামটো বিচাৰি উলিওৱা -

(A) মনকৰ

(B) দুৰ্গাবৰ

(C) পীতাম্বৰ

(D) হেম সৰস্বতী

**8.** ‘গীত-গোৱিন্দ’পুথি সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰা কবিজনৰ নাম -

(A) হেম সৰস্বতী

(B) কবিৰত্ন সৰস্বতী

(C) ৰাম সৰস্বতী

(D) ৰত্নাকৰ কন্দলি

**9.** তুলসীদাসৰ ‘ৰামচৰিত-মানস’ৰ অসমীয়া পদ নিবন্ধ কৰা কবিজনৰ নাম -

(A) শ্ৰীকান্ত সূৰ্যবিপ্ৰ

(B) ৰুচিনাথ কন্দলি

(C) লক্ষ্মীনাথ দ্বিজ

(D) বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য

**10.** ব্ৰাউন্ আৰু কট্টাৰে শিৱসাগৰত থিতাপি লোৱা চনটো হ’ল -

(A) ১৮২৬

(B) ১৮৪৩

(C) ১৮৪৬

(D) ১৮৫০

**11.** শ্ৰীমতী কট্টাৰে ৰচনা কৰা এখন গ্ৰন্থ হ’ল -

(A) Report of the province of Assam

(B) Vocabulary and phrases

(C) Pilgrims progress

(D) Grammatical notices of the Assamese Language

**12.** তলৰ কোন গৰাকীৰ কবিতাত নিৰ্জনৰ সুৰ ব্যঞ্জিত হৈছে -

(A) জ্যোতিপ্ৰসাদ আগৰৱালা

(B) ৰঘুনাথ চৌধাৰী

(C) ধৰ্মেশ্বৰী দেৱী বৰুৱানী

(D) নিৰ্মলপ্ৰভা বৰদলৈ

**13.** সেই ইন্দ্ৰধনু পিন্ধি মই
আগবাঢ়িছো বিশ্বসভালৈ
সেই মহাসভাৰ গান ৰচিছোঁ
তোৰ পূজালৈ
বন্ধু সুন্দৰ !

উক্ত কবিতা ফাকিৰ ৰচয়িতাজন হ’ল -

(A) গণেশ গগৈ

(B) চন্দ্ৰকুমাৰ আগৰৱালা

(C) নলিনীবালা দেৱী

(D) জ্যোতিপ্ৰসাদ আগৰৱালা

**14.** হেমৰ কোষেৰে ওখ দ’ল সাজি
ভাষাক সাৰথি কৰি
নুমাব লগীয়া অসমীয়া নাম
ৰাখিলে জিলিকা কৰি ।

এই কবিতা ফাকিৰ ৰচয়িতাজন হ’ল -

(A) অম্বিকাগিৰি ৰায়চৌধুৰী

(B) প্ৰসন্নলাল চৌধুৰী

(C) লক্ষ্মীনাথ বেজবৰুৱা

(D) পদ্মনাথ গোহাঞি বৰুৱা



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**15.** তলৰ চাৰি শ্ৰেণী শব্দৰ কোন শ্ৰেণীৰ শব্দ খাচী ভাষাৰ পৰা আহিছে -

(A) বুৰঞ্জী, জান, জেকা, কাৰেং, লাং

(B) আঁচুসূতা, বগা, বোকা, বেজ বেজ, গাহৰি ।

(C) আটোম-টোকাৰি, লাতুম, ভোদা, আলাবাদু ।

(D) জপা, জঞ্জাল, জহা, মেথোন, চোকোবা ।

**16.** 'অসমীয়া ভাষা সংস্কৃতি' গ্ৰন্থৰ প্ৰণেতা জন -

(A) বাণীকান্ত কাকতি

(B) প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

(C) বিৰিঞ্চি কুমাৰ বৰুৱা

(D) কালিৰাম মেধি

**17.** "অনুবাদত যি হেৰাই যায় সিয়েই হ'ল কবিতা", – এই উক্তি কৰা ব্যক্তিজন হ'ল -

(A) মেথিউ আৰ্নল্ড

(B) ৰবাৰ্ট ফ্ৰষ্ট

(C) ৰবীন্দ্ৰনাথ ঠাকুৰ

(D) অৰবিন্দ

**18.** সাহিত্যকৃতিৰ স্বৱৰ্তন (survival) ঘাইকৈ নিৰ্ভৰ কৰা বিষয়টো হ'ল -

(A) বিষয়-সাৰ (Theme)

(B) প্ৰভাৱ (Influence)

(C) অভিযোজন (Innovation)

(D) পাঠকৰ সঁহাৰি (Reader's response)

**19.** 'দোৰপতি' তলৰ কোনটো শিল্পৰ সৈতে জড়িত -

(A) কাঁহ শিল্প

(B) বয়ন শিল্প

(C) মৃৎ শিল্প

(D) পিতল শিল্প

**20.** 'সুতুলি' ব্যৱহাৰ হয় -

(A) বিহুনাচ

(B) বাগাড়ুম্বা

(C) ঐনিতম

(D) ঝুমুৰ

তলৰ **21**-অৰ পৰা **25**-অলৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া আছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

**21.** কেৌলে লাগিছে সেন্দূৰীয়া গাল ?
ফৰিং প্ৰেমিকৰ জুই
কোৰাভাতুৰীয়া ওঠৰ তলত
ফেটী সাপ থাকে শুই ।

উদ্ধৃত পংক্তিটোত কোন প্ৰকাৰৰ অলংকাৰৰ প্ৰয়োগ হৈছে -

(A) বিৰোধ

(B) ব্যাজোক্তি

(C) অতিশয়োক্তি

(D) বিষম



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**22.** প্ৰকাশৰ অবাৰিত স্বাধীনতা আৰু কল্পনা, প্ৰৱণতা ৰোমান্টিক কাব্যৰ উন্মুক্ত লক্ষণ ।

এই কথাষাৰৰ পৰা বুজিব পাৰি -

(A) প্ৰকাশৰ বাধাহীনতা আৰু অলীক কল্পনা ৰোমান্টিক কাব্যৰ প্ৰধান লক্ষণ ।

(B) চিন্তাৰ উন্মুক্ততা আৰু কল্পনাৰ প্ৰাবল্য ৰোমান্টিক কাব্যৰ বিশিষ্টতা ।

(C) কল্পনা-প্ৰৱণতা ৰোমান্টিক কাব্যৰ একমাত্ৰ লক্ষণ ।

(D) প্ৰকাশৰ স্বাধীনতা ৰোমান্টিক কাব্যৰ প্ৰধান লক্ষণ ।

**23.** জিলিকা পাহিৰে হাঁহে ৰবিৰ কিৰণ
জিলিকা পখিলা নাচি ফুৰে অগনন ।
উদ্ধৃত কাব্যাংশত প্ৰয়োগ হোৱা ছন্দটিৰ নাম -

(A) দুলড়ী (B) ঝুনা

(C) পয়াৰ (D) কুসুমমালা

**24.** এই চাৰি খুটি হ'ল - নাম, দেৱ, গুৰু, ভকত ।

ইয়াৰ পৰা বুজিব পাৰি -

(A) অসমৰ বৈষ্ণৱ ধৰ্মৰ ভক্তসকলৰ এই চাৰিটি পৰমাৰ্থ বস্তু

(B) অসমৰ বৈষ্ণৱ ধৰ্মৰ ভক্তসকলৰ এই চাৰিটি ৰূপ

(C) অসমৰ বৈষ্ণৱ ধৰ্মৰ ভক্তসকলৰ এই চাৰিটি গুপ্ত নাম

(D) অসমৰ বৈষ্ণৱ ধৰ্মৰ ভক্তসকলৰ এই চাৰিটি ৰসবস্তু

**25.** অসমীয়া ভাষা আৰ্যভিন্ন ভাষাৰ সাগৰৰ মাজত থকা এটা সৰু দ্বীপ

এই উক্তিৰ সমৰ্থনত দেখা যায় যে -

(A) অসমীয়া ভাষা প্ৰচলিত থকা অসম ৰাজ্যখন সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ মাজত থকা এটি ক্ষুদ্ৰ দ্বীপৰ দৰে ।

(B) আৰ্যভিন্ন ভাষাবোৰ সাগৰৰ দৰে আৰু আৰ্য ভাষাবোৰ দ্বীপৰ নিচিনা ।

(C) অসংখ্য আৰ্যভিন্ন ভাষাই অসমীয়া ভাষাক চাৰিওফালৰ পৰা ঘেৰি আছে ।

(D) উত্তৰ-পূব ভাৰতত কোনো সাগৰ নাই, সেয়েহে ভাষাৰ সাগৰৰ কল্পনা কৰি লোৱা হৈছে ।

**26.** তলত দিয়া লোকগীতসমূহৰ ভিতৰত গঠন-ৰীতিত মিল থকা বিভাগ দুটা হ'ল -

(I) বিহু গীত

(II) বাৰমাহী গীত

(III) বনগীত

(IV) টোকাৰী গীত

(A) (I) আৰু (IV)

(B) (II) আৰু (III)

(C) (I) আৰু (III)

(D) (III) আৰু (IV)

Prepp



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**27.** প্ৰাচ্য আৰু পাশ্চাত্য সমালোচনাৰ উভয় ক্ষেত্ৰতেই বুৎপত্তি দেখুওৱা দুজন লেখক –

(I) মহেশ্বৰ নেওগ
(II) ত্ৰৈলোক্যনাথ গোস্বামী
(III) মহেন্দ্ৰ বৰা
(IV) সত্যেন্দ্ৰনাথ শৰ্মা

(A) (I) আৰু (IV)
(B) (II) আৰু (III)
(C) (III) আৰু (IV)
(D) (II) আৰু (IV)

**28.** তলৰ কোন দুটা উৎসৱ উৰ্বৰতাৰ সৈতে জড়িত -

(I) বাঁশ পূজা
(II) কৰম পূজা
(III) হুদুমদেও পূজা
(IV) মাৰৈ পূজা

(A) (III) আৰু (IV)
(B) (I) আৰু (II)
(C) (I) আৰু (III)
(D) (I) আৰু (IV)

**29.** তলৰ কোন দুখন গ্ৰন্থ একেজন ৰচকৰ –

(I) কুশীলৱ
(II) বনজুই
(III) তিমিৰ তীৰ্থ
(IV) কেক্‌টাচৰ ফুল

(A) (I) আৰু (II)
(B) (III) আৰু (IV)
(C) (I) আৰু (III)
(D) (II) আৰু (III)

**30.** গোলোকচন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম -

(I) অসমীয়া বৰ্ণ প্ৰকাশ
(II) অসমীয়া ব্যাকৰণ প্ৰৱেশ
(III) অসমীয়া ভাষাৰ ব্যাকৰণ
(IV) আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ

(A) (III) আৰু (IV)
(B) (I) আৰু (IV)
(C) (I) আৰু (II)
(D) (II) আৰু (IV)

**31**-ৰ পৰা **45**-লৈ দিয়া প্ৰশ্নসমূহৰ ‘ক’ স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**31.**

| **‘ক’ স্তম্ভ** | **‘খ’ স্তম্ভ** |
|---|---|
| a. কোঁৱৰ বিদ্ৰোহ | i. বেণুধৰ শৰ্মা |
| b. অৰ্ঘ্যাৱলী | ii. নকুলচন্দ্ৰ ভূঞা |
| c. আউনীআটি সত্ৰৰ বুৰঞ্জী | iii. সূৰ্যকুমাৰ ভূঞা |
| d. বাৰভূঞাৰ বুৰঞ্জী | iv. তীৰ্থনাথ শৰ্মা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | i | iii | ii | iv |
| (C) | ii | i | iii | iv |
| (D) | iv | ii | i | iii |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**32.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. লীলা গগৈ | i. অৰ্দ্ধং ত্যজতি |
| b. ভদ্র বৰা | ii. কপলিং ছিগা ৰেল |
| c. কীৰ্তিনাথ হাজৰিকা | iii. চপনীয়া |
| d. হেম বৰুৱা | iv. নাৰদৰ ডায়েৰি |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | i | iii |
| (B) | ii | i | iv | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

**33.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. নিচি | i. চিকিম |
| b. টাংখুল | ii. ত্রিপুৰা |
| c. লেপ্চা | iii. অৰুণাচল |
| d. চাক্মা | iv. নগালেণ্ড |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | i | iii | iv | ii |
| (C) | ii | i | iii | iv |
| (D) | iv | ii | i | iii |

**34.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. উঝন্টি | i. কঁকালৰ |
| b. লোকাপাৰ | ii. বাহুৰ |
| c. বাজু | iii. ভৰিৰ |
| d. কৰধনি | iv. কাণৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | ii | i | iii | iv |
| (C) | i | iii | iv | ii |
| (D) | iv | ii | i | iii |

**35.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. উপভাষা বিজ্ঞান | i. ৰমেশ পাঠক |
| b. উপভাষা বিজ্ঞানৰ ভূমিকা | ii. দীপংকৰ মৰল |
| c. আধুনিক ভাষা বিজ্ঞান পৰিচয় | iii. অৰ্পনা কোঁৱৰ |
| d. ভাষাবিজ্ঞান উপক্রমনিকা | iv. ফনীন্দ্রনাৰায়ণ দত্তবৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | i | ii | iii | iv |
| (D) | iv | iii | i | ii |

**36.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. ১৯১৪ | i. অজিৎ বৰুৱা |
| b. ১৯২৩ | ii. দেৱকান্ত বৰুৱা |
| c. ১৯২৮ | iii. বীৰেশ্বৰ বৰুৱা |
| d. ১৯৩৩ | iv. নৱকান্ত বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | i | iv | ii |
| (D) | iv | ii | i | iii |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**37.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. পৰশমণি — i. ধৰ্মেশ্বৰী দেৱী বৰুৱানী

b. অৰুণ — ii. নিৰ্মলপ্ৰভা বৰদলৈ

c. প্ৰাণৰ পৰশ — iii. নলিনীবালা দেৱী

d. অন্তৰংগ — iv. যমুনেশ্বৰী খাটনিয়াৰ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | ii | i | iii | iv |
| (C) | iv | ii | i | iii |
| (D) | i | ii | iii | iv |

**38.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. নাট্যকাৰ — i. ৰমেন বৰুৱা

b. গীতিকাৰ — ii. অৰুণ শৰ্মা

c. অভিনেতা — iii. কেশৱ মহন্ত

d. সুৰকাৰ — iv. ফণী শৰ্মা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | i | ii | iii | iv |
| (C) | iv | i | iii | i |
| (D) | iii | iv | i | ii |

**39.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. পাপৰি — i. ১৯৭০

b. হাফিজৰ সুৰ — ii. ১৯৫৯

c. বালিচন্দা — iii. ১৯৩৪

d. কুলখুৰাৰ চোতাল — iv. ১৯৩৩

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | ii | i | iii | iv |
| (C) | iii | iv | ii | i |
| (D) | i | iv | ii | iii |

**40.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. বিহগী কবি — i. অগ্নিমন্ত্ৰ

b. বনফুলৰ কবি — ii. পৰাগ

c. বকুলবনৰ কবি — iii. সাদৰী

d. বিদ্ৰোহী কবি — iv. মৰমৰ সুৰ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iv | iii | i |
| (C) | i | iii | ii | iv |
| (D) | iii | iv | ii | i |

**41.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. কোনোবা জোনাক নিশা জুৰিৰ পাৰত তুমি আৰু মই বুকুত মৰুৰ তৃষা — i. উপমা

b. একালৰ বৃন্দাবন একালত পৰে চন নিয়তিৰ এনুৱা বিধান বুৰঞ্জীয়ে দিয়ে সমিধান — ii. উৎপ্ৰেক্ষা

c. মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে সেউজীয়া বননিৰ বৰণেৰে ঢকা — iii. ব্যঞ্জনা

d. তাজ তুমি ৰঙা তেজ বিৰহীৰ অন্তৰৰ গোট মাৰি শিলা হোৱা মৰ্মভেদী ব্যথা — iv. ছেকানুপ্ৰাস

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | iv | i | ii | iii |
| (C) | ii | iv | iii | i |
| (D) | i | ii | iv | iii |



Prepp
Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

42. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. নিয়ৰৰে ফুল এপাহ ফুলিল এপাহ সৰিল কেনি — i. ভূপেন হাজৰিকা

b. বহুদিন বকুলৰ গোন্ধ পোৱা নাই — ii. নির্মলপ্রভা বৰদলৈ

c. সৌ সীমাৰ সিপাৰে দৃষ্টি আমাৰ মাজত তৃষাৰে নৈ — iii. নৱকান্ত বৰুৱা

d. ৰ’দ পুৱাবৰ কাৰণে মাতিবানো কাক — iv. তফজ্জুল আলি

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | ii | i | iii | iv |
| (C) | iii | ii | i | iv |
| (D) | iv | i | iii | ii |

43. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. বৰগীত — i. প্রতিমা বৰুৱা পাণ্ডে

b. গোৱালপৰীয়া লোকগীত — ii. দিলীপ শর্মা

c. বনগীত — iii. দয়ালচন্দ্র সূত্রধাৰ

d. জ্যোতি সংগীত — iv. আনন্দিৰাম দাস

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | i | iii | ii | iv |
| (C) | ii | iv | i | iii |
| (D) | iv | iii | ii | i |

44. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. সংগীত নাটক অকাডেমী — i. শোভা ব্ৰহ্ম

b. সাহিত্য অকাডেমী — ii. মহেশ্বৰ নেওগ

c. অসম সাহিত্য সভা — iii. ভূপেন হাজৰিকা

d. শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ — iv. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | ii | iii | i | iv |
| (C) | i | ii | iii | iv |
| (D) | iv | iii | ii | i |

45. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. টাই — i. বুচু

b. বড়ো — ii. বিছু

c. দেউৰী — iii. বয়হু

d. ডিমাছা — iv. বৈশাগু

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | iv | i | ii | iii |
| (C) | iii | iv | ii | i |
| (D) | ii | i | iii | iv |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া 46-ৰ পৰা 50-লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C), (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

আজিৰ বহুবোৰ কবিতাকেই সাধাৰণ পঢ়ুৱৈ সমাজে একো বুজি নাপায়, আনকি বিদ্বান পণ্ডিতবোৰেও বুজি নাপায় । এইটো কবিতাৰ স্বাস্থ্যৰ লক্ষণ নহয় । কাৰণ কাব্যৰ প্ৰদান লক্ষণ অনুভূতিৰ সাধাৰণীকৰণ অৰ্থাৎ কবিৰ অনুভূতিক শব্দ আৰু লয়ৰ সঙ্কেতেৰে পাঠকৰ অন্তৰত জগাই তোলা । যদি কোনো কবিয়ে কবিতাৰ ভিতৰেদি নিজৰ অনুভূতিশীল অন্তৰ প্ৰকাশ কৰিব নোৱাৰে তেন্তে তেওঁ কবি নহয় আৰু তেঁওৰ লিখাবোৰ কবিতা নহয় । কবিতা জীৱনৰ অভিজ্ঞতাৰ পৰা কবিৰ অন্তৰত জমি উঠা অনুভূতিৰ প্ৰতিধ্বনি হব লাগে । জীৱনৰ অভিজ্ঞতাৰ পৰা কবিতাৰ জন্ম নহলে সি কেৱল শব্দৰ মেৰপাক হৈ পৰে তাত নানা বহিৰাড়ম্বৰ থাকিব পাৰে নানা বিচ্ছিন্ন কল্পনাৰ ‘কাৰসাজি’ থাকিব পাৰে, কিন্তু তাত কবিতাৰ প্ৰাণটোৱেই নাথাকে ।

কিন্তু এটা কথা মন কৰিব লাগিব যে জীৱনত অভিজ্ঞতাৰ বৰ্ণনাই কবিতা হব নোৱাৰে । কবিতাৰ ভিতৰত সেই অভিজ্ঞতাৰ মূল্যবোধ থাকিব লাগিব । জীৱনৰ আকাঙ্ক্ষা, মহত্বৰোধ, সাধনা আৰু বিকাশৰ প্ৰেৰণাৰ দৃষ্টিৰপৰা সেইবোৰ বাস্তৱ অভিজ্ঞতাৰ মূল্যাঙ্কন থাকিব লাগিব; এই মূল্যাঙ্কনেহে, অভিজ্ঞতাৰ এই ধৰণৰ বাচনিয়েহে অনুভূতিক আলোড়িত কৰিব পাৰে; জীৱনৰ এই মূল্যাঙ্কনেই হৈছে জীৱনৰ কাব্যিক সমালোচনা যাক Mathew Arnold-এ Criticism of life বুলি কৈছে । কবিতাৰ বাস্তৱতা মানে যদি কেৱল অভিজ্ঞতাৰ তালিকাকহে বুজায় তেন্তে তাক হয়তো মনোবিজ্ঞানৰ বা সমাজবিজ্ঞানৰ সমল বুলিব পাৰি, কিন্তু কবিতা বুলিব নোৱাৰি । বাস্তৱতাৰ নামত বহুতে অভিজ্ঞতাৰ মূল্যবোধটোক পাহৰি যায় আৰু বহুত আধুনিক কবিৰো জীৱনৰ মূল্যবোধ সম্বন্ধে কোনো স্পষ্ট ধাৰণা নাই । ইয়াৰ অভাৱত কবিতাত লয় নাই, আবেগৰ সমন্বয় নাই ।

গতিকে মূল্যাঙ্কনবিহীন অভিজ্ঞতাৰ বাস্তৱতাই কবিতাৰ বিষয়বস্তু হব নোৱাৰে । যদি সেয়ে হ’লহেঁতেন, তেন্তে সমাজ-জীৱনৰ আৰু ব্যক্তি জীৱনৰো বহুত অভিজ্ঞতাই দৈনিক খবৰ কাগজত ওলাই থাকে দেখি খবৰৰ কাগজো কবিতা হ’লহেঁতেন । সেই বাস্তৱতাই মানৱ হৃদয়ত কি ধৰণৰ সংবেদন জগাইছে আৰু সেই সংবেদনৰ প্ৰতি কবিৰ অন্তৰে কি প্ৰতিক্ৰিয়া কৰিছে তাৰ ওপৰতহে কবিতা নিৰ্ভৰ কৰে । মানুহৰ অন্তৰ আৰু ইন্দ্ৰিয়ই অভিজ্ঞতাৰ কেৱল নিষ্ক্ৰিয় দৰ্শক নহয় । মানৱ চেতনাৰ কিছুমান দাবী বা প্ৰয়োজন আছে আৰু সেইবোৰৰ পৰিপ্ৰেক্ষিতহে চেতনাই অভিজ্ঞতাৰ মূল্য নিৰ্ণয় কৰে আৰু তাৰ ভিত্তিতহে অন্তৰত নানা অনুভূতিৰ মূৰ্ছনা উঠে । বাস্তৱতাক কবিয়ে কেৱল বাস্তৱতা বুলিয়ে নকয়, তাক নিৰ্মম বা নিষ্ঠুৰ বাস্তৱতা বা অন্য কোনো আবেগময় বিশেষণ দিহে দেখে । কবি-হৃদয়ে নিজৰ ভিতৰত থকা দাবীৰ প্ৰেৰণাৰ, কল্পনাৰ বা আদৰ্শৰ লগত বাস্তৱক ৰিজাইহে সেই বিশেষণ দিয়ে । গতিকে কবিতাত বাস্তৱৰ উপৰিও অন্তৰবাঞ্ছিত কোনো আদৰ্শৰ বা জীৱনৰ মহাত্বৰোধৰ প্ৰেৰণা সঙ্কেত বা পটভূমি থাকে । কবি-হৃদয়ত এই জীৱনৰ মূল্যবোধৰ পটভূমিয়েই কবিতাৰ মূল্য নিৰ্ণয় কৰে ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**46.** আজিৰ বহুবোৰ কবিতাক সাধাৰণ পঢ়ুৱৈয়ে সহজে বুজি নাপায় । কিয়নো

(A) কবিতা বিদ্বানৰ বাবেহে সাধাৰণৰ বাবে নহয় ।

(B) কবিৰ অনুভূতিক শব্দ আৰু লয়ৰ সংকেতেৰে পাঠকৰ অন্তৰত জগাই তুলিব পৰা নাই ।

(C) কবিতাৰ প্ৰধান লক্ষণ অনুভূতিৰ সাধাৰণীকৰণ ।

(D) সাধাৰণ পঢ়ুৱৈ সমাজে বুজি নোপোৱাটো কবিতাৰ স্বাস্থ্যৰ লক্ষণ ।

**47.** কবিতা জীৱনৰ অভিজ্ঞতাৰ পৰা কবিৰ অন্তৰত জমি উঠা অনুভূতিৰ প্ৰতিধ্বনি । কিয়নো ।

(A) অভিজ্ঞতাৰ পৰা জন্ম নহ'লে সি কেৱল শব্দৰ মেৰপাক হৈ পৰে ।

(B) কবিতাত বিছিন্ন কল্পনা থাকে ।

(C) কবিতাত বহুবিধ আড়ম্বৰ থাকে ।

(D) অভিজ্ঞতাৰ পৰা জন্ম নহলে কবিতাত কবিৰ অনুভূতিৰ প্ৰকাশ নঘটে ।

**48.** জীৱনত অভিজ্ঞতাৰ বৰ্ণনাই কবিতা হ'ব নোৱাৰে । কিয়নো -

(A) মূল্যবোধ থকা অভিজ্ঞতাহে কবিতাৰ বাবে প্ৰয়োজনীয়

(B) মূল্যবোধ আৰু সাধনাইহে অনুভূতিক আলোড়িত কৰিব পাৰে

(C) অভিজ্ঞতা হ'ল মনোবিজ্ঞান বা সমাজবিজ্ঞানৰ সমল

(D) বাস্তৱৰ অভিজ্ঞতা নাথাকিলে কবিতা সৃষ্টি সম্ভৱপৰ নহয় ।

**49.** মূল্যাংকনবিহীন অভিজ্ঞতাৰ বাস্তৱতাই কবিতাৰ বিষয়বস্তু হ'ব নোৱাৰে । কিয়নো -

(A) এইবোৰ কবিতাৰ নহয়, বাতৰি কাকতৰহে সমল

(B) ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰে কবিতা নহয় ।

(C) কবিতাৰ বাবে অভিজ্ঞতাৰ বাস্তৱতাই কবিৰ হৃদয়ত সংবেদন জগাব লাগিব

(D) মানুহৰ অন্তৰ আৰু ইন্দ্ৰিয়ই অভিজ্ঞতাৰ নিষ্ক্ৰিয় দৰ্শক হৈ থাকিলে নহ'ব ।

**50.** কবিতাত বাস্তৱৰ উপৰিও অন্তৰবাঞ্ছিত কোনো আদৰ্শৰ বা জীৱনৰ মহত্বৱোধৰ পটভূমি থাকে । কিয়নো -

(A) মানৱ চেতনাৰ কিছুমান দাবী বা প্ৰয়োজন আছে ।

(B) বাস্তৱতাক কবিয়ে কেৱল বাস্তৱতা বুলিয়ে নকয়, কোনো বিশেষণ প্ৰয়োগ কৰে ।

(C) কবিৰ ভিতৰৰ প্ৰেৰণা, আদৰ্শ বা কল্পনাৰ লগত বাস্তৱক ৰিজাই চোৱা হয় ।

(D) কবিতাত মূল্যবোধ দান কৰিবৰ বাবে বাস্তৱৰ পটভূমিৰ প্ৰয়োজন হয় ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

prepp

# Latest Sarkari jobs, Govt Exam alerts, Results and Vacancies

- Latest News and Notification
- Exam Paper Analysis
- Topic-wise weightage
- Previous Year Papers with Answer Key
- Preparation Strategy & Subject-wise Books

To know more **Click Here**

www.prepp.in